# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 22-10-2024
**Time :** 0900 Hrs
***Assamese Morning Bulletin***

---------------------------------------------

১। ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ।

২। ভিন ভিন সমষ্টিত দল সমূহৰ প্ৰাৰ্থী ঘোষণা কৰাৰ সমান্তৰালভাৱে মনোনয়ন পত্ৰ দাখিলৰ প্ৰস্তুতি।

৩। ষোড়শ ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰাছিয়ালৈ ৰাওনা।

**আৰু**

৪। নতুন দিল্লীত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ পঞ্চম ৰাষ্ট্ৰীয় জল বঁটা প্ৰদান।

০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। শাসকীয় বিজেপিয়ে তিনিটা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ইতিমধ্যে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিজেপিয়ে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে কংগ্ৰেছ দলে ধলাই সমষ্টিৰ বাবে ধ্ৰুৱজ্যোতি পুৰকায়স্থ, ছিদলী সমষ্টিত সঞ্জীৱ ওৱাৰী, বঙাইগাঁৱত ব্ৰজেনজিৎ সিনহা আৰু চামগুৰি সমষ্টিৰ বাবে তানজিল হুছেইনৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে।

কৰিমগঞ্জৰ জিলা আয়ুক্ত কাৰ্যালয়ত আজি ধলাই সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থই মনোনয়ন পত্ৰ দাখিল কৰিব। সমষ্টিটোত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে। সমষ্টিটোৰ নিৰ্বাচনী পৰিস্থিতিৰ সন্দৰ্ভত এয়া আকাশবাণীৰ কৰিমগঞ্জৰ সংবাদদাতা জাকাৰিয়া ৰহমানৰ প্ৰতিবেদন-

**ভইচ কাষ্ট (জাকাৰিয়া ৰহমান)**

নগাঁও জিলাৰ চামগুৰি সমষ্টিত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিজেপি আৰু কংগ্ৰেছ দলে নিজ নিজ দলীয় প্ৰাৰ্থীৰ হৈ সমষ্টিটোৰ ঠায়ে ঠায়ে প্ৰচাৰ অভিযান ক্ৰমাৎ ব্যাপক কৰি তুলিছে। সমষ্টিটোৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আমাক বিস্তৃতভাৱে জনাইছে আকাশবাণীৰ নগাঁৰৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই-

**ভইচ কাষ্ট (মুনীন্দ্ৰ শইকীয়া)**

আনহাতে, ৩২ নম্বৰ বঙাইগাওঁ বিধানসভা সমষ্টিত শেহতীয়াকৈ অগপ দলৰ প্ৰাৰ্থী হিচাপে দীপ্তিময় চৌধুৰীৰ নাম চূড়ান্ত কৰা হৈছে। সমষ্টিটোত উপ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত সবিশেষ জনাই আকাশবাণী বঙাইগাঁৱৰ সংবাদদাতা তেজছ ত্ৰিপাঠীয়ে এইদৰে কয়-

**ভইচ কাষ্ট (তেজছ ত্ৰিপাঠী)**

ছিদলী বিধানসভা সমষ্টিত ইউপিপিএল দলে কালি নিৰ্মল কুমাৰ ব্ৰহ্মৰ নাম ঘোষণা কৰে। একেদৰে, সমষ্টিটোত বিপিএফ দলেও শুদ্ধোধন বসুমতাৰীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। এনে প্ৰেক্ষাপটত সংশ্লিষ্ট ৰাজনৈতিক দলসমূহে সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। এই সন্দৰ্ভত আকাশবাণীৰ শ্ৰোতাসকলক অধিক জনাইছে চিৰাঙৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে।

**ভইচ কাষ্ট (কুঞ্জমোহন ৰায়)**

উল্লেখযোগ্য যে বঙাইগাওঁ, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে অনলাইন পোৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণৰ দিন ঘোষণা কৰিছে। এই অনুসৰি sebaregistration.org শীৰ্ষক পোৰ্টেলৰ জৰিয়তে কাইলৈৰ পৰা ১৪ নৱেম্বৰলৈ বিদ্যালয়সমূহে প্ৰপত্ৰ পূৰণ কৰিব পাৰিব বুলি পৰিষদৰ সচিবে প্ৰকাশ কৰিছে। ইপিনে, অনলাইন মাচুল পৰিশোধৰ অন্তিম দিন ১৫ নৱেম্বৰ ধাৰ্য কৰা হৈছে। একেদৰে ১৮ নৱেম্বৰ পৰ্যন্ত চালানৰ ধন পৰিশোধ কৰিব পাৰিব। অনলাইন শুধৰণীৰ বাবে ৩০ নৱেম্বৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। প্ৰপত্ৰ পূৰণৰ নিৰ্দেশনাৱলী ৱেবছাইটত পোৱা যাব বুলিও কোৱা হৈছে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোড়শ ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে আজি ৰাছিয়ালৈ ৰাওনা হৈছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে তেওঁ কাজানত হ'বলগীয়া ব্ৰিকছ্ সন্মিলনত অংশ ল'ব। এইবাৰৰ এই সন্মিলনৰ বিষয় হৈছে-**গোলকীয় বিকাশ আৰু সুৰক্ষাৰ বাবে বহুপাক্ষিকতাক শক্তিশালী কৰা**। ৰাছিয়াত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় কুমাৰে কালি কাজানত আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত কয় যে, এই সন্মিলনে আন্তঃৰাষ্ট্ৰীয় সমস্যাসমূহৰ বিষয়ে আলোচনা কৰাৰ বাবে গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিব। সন্মিলনত ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীয়ে মুকলি কৰা বিভিন্ন উদ্যমৰ প্ৰগতিৰ বিষয়েও আলোচনা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদী ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে প্ৰধানমন্ত্ৰীৰ ৰাছিয়া ভ্ৰমণ সন্দৰ্ভত কালি নতুন দিল্লীত সাংবাদিকৰ আগত বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কয় যে, এই দুদিনীয়া শীৰ্ষ সন্মিলনে অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰা তথা শক্তি আৰু খাদ্য সুৰক্ষাৰ বাবে সহযোগিতাৰ প্ৰসাৰ কৰাৰ লগতে স্বাস্থ্যখণ্ডত সহযোগিতা বৃদ্ধি কৰিব। তেওঁ লগতে কয় যে, যোৱা বছৰ জোহান্সবাৰ্গত অনুষ্ঠিত সন্মিলনত প্ৰথমবাৰৰ বাবে ব্ৰীকছ্‌ৰ সম্প্ৰসাৰণ হোৱাৰ পাছত এইবাৰ প্ৰথম এই সন্মিলন অনুষ্ঠিত হ'ব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰিব। কেন্দ্ৰীয় জল শক্তি মন্ত্ৰালয়ে শ্ৰেষ্ঠ ৰাজ্য, শ্ৰেষ্ঠ জিলা, শ্ৰেষ্ঠ গাঁও পঞ্চায়ত, শ্ৰেষ্ঠ নগৰ অঞ্চল, শ্ৰেষ্ঠ জল ব্যৱহাৰকাৰী সংস্থা আৰু শ্ৰেষ্ঠ নাগৰিক সমাজকে ধৰি ৯ টা শাখাত ৩৮টা বঁটা প্ৰদান কৰিব। শ্ৰেষ্ঠ ৰাজ্যৰ শিতানত ওড়িশাই প্ৰথম, উত্তৰ প্ৰদেশে দ্বিতীয় আৰু গুজৰাট আৰু পুডুচেৰীয়ে যুঁটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। ৰাষ্ট্ৰীয় জল বঁটাৰ বাবে চৰকাৰৰ জলসমৃদ্ধ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰা বা প্ৰয়াস চলোৱা ব্যক্তি-সংগঠনক বাছনি কৰা হয়। প্ৰতিটো শাখাৰ বিজেতাক প্ৰশস্তিপত্ৰ, ট্ৰফী আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

০০০০০০

নৱগঠিত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদত পূৰ্বৰ অসম মাধ্যমিক শিক্ষা পৰিষদক সংমণ্ডল এক আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক সংমণ্ডল দুই ৰূপে জনা যাব। সকলো পক্ষৰ সুবিধাৰ্থে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনাত পৰিষদৰ নতুন ৱেবছাইট যুগুত কৰাৰ প্ৰক্ৰিয়া চলি আছে বুলি কোৱা হৈছে। এই পৰ্যন্ত পূৰ্বৰ www.sebaonline.org আৰু www.ahsec.assam.gov.in নামৰ ৱেবছাইট দুটা সংমণ্ডল এক আৰু দুইৰ বাবে প্ৰযোজ্য হ'ব।

০০০০০০

ব্ৰহ্মপুত্ৰৰ পানী অস্বাভাৱিকভাৱে হ্ৰাস পোৱাত কালিৰে পৰা মাজুলীৰ কমলাবাৰী-নিমাতী ফেৰী ঘাটেৰে ফেৰীৰ চলাচল বন্ধ হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ বুকুত ফেৰী পথ খননৰ বাবে ইতিমধ্যে ডিব্ৰুগড়ৰ পৰা এখন ড্ৰেজাৰ মাজুলীলৈ অনা হৈছে। ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান আই আই টি মাদ্ৰাজৰ এটা বিশেষজ্ঞ দলৰ তত্ত্বাৱধানত আজিৰ পৰা ফেৰী চলাচলৰ সুবিধা হোৱাকৈ ব্ৰহ্মপুত্ৰত বুকুত ফেৰীপথ খনন কাৰ্য আৰম্ভ হ'ব। কমলাবাৰী-নিমাতী ফেৰীপথ খনন সম্পূৰ্ণ নোহোৱালৈকে যাত্ৰীসকলক অফলামুখ-নিমাতী ঘাটেৰে অহা-যোৱা

কৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। যাত্ৰীসকলৰ সুবিধাৰ্থে প্ৰশাসনে অফলামুখ নিমাতী ঘাটত পৰ্যাপ্ত ফেৰীৰ ব্যৱস্থা কৰিছে বুলি আমাৰ মাজুলীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক দপ্তৰৰ ৰাজ্য মন্ত্ৰী ভগীৰথ চৌধুৰী আজি দুদিনীয়া ভ্ৰমণসূচীৰে তিনিচুকীয়াত উপস্থিত হ'ব। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ লগতে বৰহাপজানত থকা এখন কৃষি পামো পৰিদৰ্শন কৰিব। তদুপৰি শ্ৰী চৌধুৰীয়ে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে কাইলৈ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন নাগৰিক সন্মিলনতো অংশগ্ৰহণ কৰিব।

০০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে পূব লাডাখত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল দিয়াৰ ব্যৱস্থা সন্দৰ্ভত ভাৰত আৰু চীনৰ মাজত হোৱা চুক্তিক প্ৰশংসা কৰিছে । তেওঁ কয় যে এইক্ষেত্ৰত দুয়োখন দেশ ২০২০ চনৰ পৰিস্থিতিলৈ উভতি গৈছে। ডাঃ জয়শংকৰে লগতে কয় যে এইক্ষেত্ৰত চীনৰ সৈতে থকা ভাৰতৰ বিচ্ছিন্নতামূলক মনোভাৱৰ সমাপ্তি ঘটিছে। এয়া ইতিবাচক বিকাশ, ধৈৰ্য্য আৰু অতি অধ্যৱসায়ী কূটনীতিৰ ফল বুলিও বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

কৰিমগঞ্জত কালি বিয়লি সংঘটিত অগ্নিকাণ্ডত ছখন দোকান ভস্মীভূত হয়। অঞ্চলটোৰ এখন ৰেস্তোঁৰাৰ পৰা উদ্ভৱ হোৱা এই জুয়ে পৰৱৰ্তী সময়ত কাষৰীয়া আন কেইবাখনো দোকানক সামৰি লয়। স্থানীয় লোকে দিয়া খবৰৰ ভিত্তিত অগ্নি নিৰ্বাপক বাহিনীৰ লোক ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপিত কৰে। এই অগ্নিকাণ্ডৰ কাৰণ সন্দৰ্ভত তদন্ত অব্যাহত আছে বুলি আকাশবাণীৰ কৰিমগঞ্জৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

যোৰহাটত তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞানৰ মুৰব্বী অধ্যাপক ড০ দিলীপ কুমাৰ কলিতাৰ চতুৰ্থ মৃত্যু বাৰ্ষিকী উপলক্ষে আজি মহাবিদ্যালয়খনত স্মাৰক বক্তৃতা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আয্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু নন্দনাথ মহাবিদ্যালয়ে এই অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০০০

বিশ্ব ক্ষুধা সূচাংক (গ্লোবেল হাংগাৰ ইনডেক্স) ২০২৪ বৰ্ষৰ তালিকাত বিশ্বৰ ১২৭ খন দেশৰ ভিতৰত ভাৰতে ১০৫ সংখ্যক স্থান লাভ কৰা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **বাংলাদেশ নেপালতকৈও নিম্ন ভাৰতৰ স্থান** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অহা ১৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ হোৱা বাতৰিটো নিয়মীয়া বাৰ্তা, আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তাৰ শিৰোনাম **দলীয় প্ৰাৰ্থীক নিৰ্দলীয় হৈ প্ৰত্যাহ্বান জনাব বিদ্ৰোহীয়ে**।

ন্যায়াধীশ সঞ্জীৱ খান্না আৰু সঞ্জয় কুমাৰৰ দ্বাৰা গঠিত উচ্চতম ন্যায়ালয়ৰ এখন খণ্ড বিচাৰ পীঠে সোমবাৰে দিয়া শুনানিত ধৰ্ম নিৰপেক্ষতা সংবিধানৰ মৌলিক গাঁঠনিৰ অংশ হিচাপে মন্তব্য কৰা বাতৰিটো অসমীয়া খবৰ কাকতে **সংবিধানত ধৰ্মনিৰপেক্ষা অলৰ-অচৰ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নৱেম্বৰ মাহৰ পৰা ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ত মধ্যাহ্ন ভোজন আঁচনি ৰূপায়ণ কৰাত বাধাগ্ৰস্ত হোৱাৰ আশংকা থকা বাতৰিটো দৈনিক জনমভূমি, দৈনিক অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতৰ শিৰোনাম **নৱেম্বৰৰ পৰা বন্ধ হ'ব মধ্যাহ্ন ভোজন**।

পূব লাডাখৰ বিবদমান সীমান্তত কোনখন দেশৰ সেনাই ক'ত তহল দিব এই বিষয়ে সমাধানৰ উদ্দেশ্যে বেইজিং আৰু নতুন দিল্লীৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱা বাতৰিটো দি আছাম ট্ৰিবিউন আৰু দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউনৰ শিৰোনাম **India, China seal pact to resolve border row**।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – কাইলৈৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ, ড০ পিতাম্বৰ দেৱ গোস্বামীলৈ ড০ ভূপেন হাজৰিকা সংহতি বঁটা ২০২৪, ঘোৰ সংকটত ৰাজ্যৰ ঐতিহ্যবাহী পাট-মুগা উদ্যোগ, বাংলাদেশত দুৰ্গা পূজাত ব্যাপক হিংসা, জৈৱ বৈচিত্ৰলৈ ভাবুকি কঢ়িয়াই অৰুণাচলত ১৩৫টা নদীবান্ধৰ প্ৰস্তুতি, একাধিক ৰাজ্যত ট্ৰেডিঙৰ প্ৰবঞ্চকৰ বিৰুদ্ধে অভিযান ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**